জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩৮১/২০২২**

# ইংৰাজী নৱবৰ্ষ উপলক্ষে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ অসমবাসীলৈ শুভেচ্ছা

**দিছপুৰ, ৩১ ডিচেম্বৰ ঃ** ইংৰাজী নৱবৰ্ষ উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সমূহ অসমবাসীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে নৱবৰ্ষই নতুন চেতনা আৰু উদ্দীপনাৰে আগুৱাই যোৱাৰ বাবে সকলোকে উৎসাহিত কৰে। বিভিন্ন জাতি-জনগোষ্ঠী, ভাষা-ভাষী, ধৰ্মাৱলম্বী লোকৰ মিলনস্থলী অসমৰ বৰ্ণাঢ্য জীৱন ধাৰাক নৱবৰ্ষৰ নতুন প্ৰভাতে ন উদ্যমেৰে আগুৱাই যোৱাৰ বাবে প্ৰেৰণা যোগাব বুলি মুখ্যমন্ত্ৰীয়ে কয়। নতুন বছৰটোৱে সুপ্ৰাচীন পৰম্পৰা আৰু আচাৰ নীতিৰে সমৃদ্ধ আমাৰ গৰিমামণ্ডিত ঐতিহ্য, পৰম্পৰা আৰু সম্প্ৰীতিৰ এনাজৰীডালো অধিক সমৃদ্ধ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। নৱবৰ্ষৰ শুভক্ষণত ৰাজ্যখনক উন্নতি আৰু প্ৰগতিৰ নতুন শিখৰলৈ লৈ যোৱাৰ ক্ষেত্ৰত অধিক দায়বদ্ধতাৰে আত্মনিয়োগ কৰিবলৈ ৰাজ্যবাসীক মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

**পুঃডেঃ / বীঃগঃ**
**৩১/১২/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in